**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 28-02-2026
**Time :** 21-25 Hrs

**ASSAMESE NIGHT BULLETIN**

::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::

ৰাজ্য চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ অধীনত আজি ৰাষ্ট্ৰীয় আৰু ৰাজ্যিক পৰ্যায়ৰ বঁটাসমূহ প্ৰদান কৰা হয়। গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ শ্ৰীশ্ৰী দামোদৰদেৱ আন্তৰ্জাতিক প্ৰেক্ষাগৃহত আয়োজিত এই বঁটা প্ৰদান অনুষ্ঠানত সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ মন্ত্ৰী বিমল বৰা মুখ্য অতিথি হিচাপে উপস্থিত থাকে। এই অনুষ্ঠানত ২০২৫ বৰ্ষৰ লোকপ্ৰিয় গোপীনাথ বৰদলৈ ৰাষ্ট্ৰীয় সংহতি বঁটা ড° অমলেন্দু চক্ৰৱৰ্তীক আৰু কৃষ্ণকান্ত সন্দিকৈ ৰাষ্ট্ৰীয় বঁটা মনেশ্বৰ দেউৰীলৈ আগবঢ়োৱা হয়। একেদৰে ৰাজ্যিক বঁটা শিতানত ২০২৬ বৰ্ষৰ শিল্পী বঁটা লোকগীতৰ শিল্পী ধনদা পাঠক আৰু মৰণোত্তৰভাৱে শিল্পী সমৰ হাজৰিকাক প্ৰদান কৰা হয়। ২০২৫ বৰ্ষৰ নটসূৰ্য ফণী শৰ্মা বঁটা কৰুণা ডেকালৈ, ড° ভৱেন্দ্ৰনাথ শইকীয়া বঁটা অৰূপ মান্নালৈ আৰু বিজু ফুকন বঁটা অৰণীৰঞ্জন পাঠকলৈ আগবঢ়োৱা হয়। অনুষ্ঠানত দিয়া ভাষণত সাংস্কৃতিক পৰিক্ৰমা মন্ত্ৰী শ্ৰীবৰাই শিল্পী-সাহিত্যিকসকলে যুগে যুগে সমাজক বাট দেখুৱাই আহিছে বুলি উল্লেখ কৰে। শিল্পীসকলে নিজৰ চিন্তন আৰু মননৰ জৰিয়তে সৃষ্টিৰাজিক বিশ্ব সভালৈ লৈ যায় বুলি তেওঁ মন্তব্য কৰে।

অনুষ্ঠানত সাংসদ বিজুলী কলিতা মেধি আৰু অন্যান্য বিশিষ্ট ব্যক্তিসকল উপস্থিত থাকে।

০০০০০

গুৱাহাটী-উত্তৰ গুৱাহাটী সংযোগী কুমাৰ ভাস্কৰ বৰ্মা দলঙেৰে অহা ৮ মাৰ্চৰ পৰা যান-বাহন চলাচল কৰিব। কামৰূপ জিলাৰ আয়ুক্ত দেৱ কুমাৰ মিশ্ৰই আজি এই কথা ঘোষণা কৰে। উল্লেখযোগ্য যে, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ১৪ ফেব্ৰুৱাৰীত উদ্বোধন কৰাৰ পাছৰে পৰা দলংখন অকল পথচাৰীৰ বাবেহে মুকলি আছিল। ৮ মাৰ্চৰ পৰা দলংখনেৰে যান-বাহনৰ চলাচল কৰিব যদিও ব্যৱসায়িক বাহনৰ চলাচল নিষিদ্ধ থাকিব।

০০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগৰ উপ-সঞ্চালক তথা বাতৰি বিভাগৰ মুৰব্বী ৰাজীৱ লোচন বৰঠাকুৰে আজি তেওঁৰ কৰ্ম জীৱনৰ সামৰণি মাৰিব। ৩৩ বছৰৰো অধিক কালৰ সুদীৰ্ঘ চাকৰি জীৱনত ভাৰতীয় তথ্য সেৱাৰ বিষয়া হিচাপে তেওঁ আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ লগতে ক'লকাতা, গুৱাহাটী আৰু ইম্ফল দূৰদৰ্শন কেন্দ্ৰ আৰু কেন্দ্ৰীয় চলচ্চিত্ৰ প্ৰমাণন পৰিষদৰ গুৱাহাটী কাৰ্যালয়ৰ আঞ্চলিক বিষয়াৰূপে কাৰ্য্যনিৰ্বাহ কৰিছিল।

বৰ্ণময় জীৱন পৰিক্ৰমাৰ বিষয় সন্দৰ্ভত আজিৰ দৃষ্টিপাত অনুষ্ঠানত উপস্থিত থাকি বিদায়ী উপ-সঞ্চালক ৰাজীৱ লোচন বৰঠাকুৰে এই অনুষ্ঠানটো অম্ল মধুৰ বুলি উল্লেখ কৰে। পূৰ্বৰ দৃষ্টিপাত অনুষ্ঠানত আঁত ধৰোতা হিচাপে থকা শ্ৰীবৰঠাকুৰক আজিৰ অনুষ্ঠানত অতিথি হিচাপে উপস্থিত থাকি কেনেধৰণৰ অনুভৱ হৈছে বুলি অনুষ্ঠান কাৰ্যবাহী ঋতুপৰ্ণ দাসৰ প্ৰশ্নোত্তৰত তেওঁ এই কথা প্ৰকাশ কৰে। জ্যেষ্ঠ বাতৰি পৰিৱেশিকা অৰুণিমা

গোস্বামী আৰু জিণ্টিৰাণী ডেকাই আঁত ধৰা অনুষ্ঠানত তেখেতে ৩৩ বছৰ অধিক কালৰ চাকৰি জীৱনৰ বৰ্ণময় অভিজ্ঞতাৰ কথা উল্লেখ কৰে।

আজিৰ অনুষ্ঠানত কেইবাগৰাকীও শ্ৰোতা আৰু সংবাদকৰ্মীয়ে টেলিফোন আৰু ফে'চবুকযোগে সংযুক্ত হৈ তেখেতৰ অৱসৰৰ জীৱনৰ বাবে শুভেচ্ছা জনোৱাৰ লগতে বাতৰি বিভাগৰ প্ৰতি তেওঁ আগবঢ়োৱা উল্লেখযোগ্য অৱদানৰ কথা উল্লেখ কৰে। মঙলদৈত জন্মগ্ৰহণ কৰা শ্ৰীবৰঠাকুৰে আজিৰ অনুষ্ঠানত মঙলদৈ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ কেইবাগৰাকীও কৃতী শিক্ষকক শ্ৰদ্ধাৰে সোঁৱৰণ কৰে। শ্ৰীবৰঠাকুৰে অসমীয়া ভাষা শুদ্ধভাৱে আয়ত্ব কৰাৰ প্ৰতি মঙলদৈৰ পৰাই তেখেতৰ বুনিয়াদ গঢ়ি উঠিছিল বুলি উল্লেখ কৰে।

০০০০০

ডিব্ৰুগড় জিলাত সমাগত বিধানসভা নিৰ্বাচন সুচাৰুৰূপে পৰিচালনা কৰাৰ প্ৰতি লক্ষ্য ৰাখি আজি জিলা আয়ুক্তৰ সভাকক্ষত জিলাৰ ৰিটাৰ্ণিং বিষয়া আৰু সহকাৰী ৰিটাৰ্ণিং বিষয়াসকলৰ এখন প্ৰশিক্ষণ সভা অনুষ্ঠিত হয়। এই কাৰ্যসূচীত জিলা প্ৰশাসনৰ শীৰ্ষ বিষয়াসকল উপস্থিত থাকে। ০০০

০০০০০

লখিমপুৰ জিলাৰ ঢকুৱাখনা বিধানসভা সমষ্টিত আজি কেইবাটাও অঙ্গনবাড়ী কেন্দ্ৰ মুকলি কৰা হয়। ঢকুৱাখনাৰ বিধায়ক নৱ কুমাৰ দলে এই কেন্দ্ৰকেইটা মুকলি কৰে।

০০০০০

অসম প্ৰাদেশীক মহিলা সমিতিৰ শতবৰ্ষ অনুষ্ঠান আজিৰেপৰা দুদিনীয়া কাৰ্যসূচীৰে শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ শ্ৰীশ্ৰীমাধৱদেৱ আন্তৰ্জাতিক প্ৰেক্ষাগৃহত অনুষ্ঠিত হৈছে। পদ্মশ্ৰী সন্মানেৰে সন্মানিত চন্দ্ৰপ্ৰভা শইকীয়ানীয়ে ১৯২৬ চনতে প্ৰতিষ্ঠা কৰা সংস্থাটোৰ শতবৰ্ষ অনুষ্ঠানৰ মূল পতাকা আজি পুৱা উত্তোলন কৰা হয়। ইয়াৰ পাছতেই সমিতিৰ বিষয়ববীয়াৰ লগতে প্ৰতিখন জিলা সমিতিৰ সভাপতি-সম্পাদকে ১০০খন পতাকা উত্তোলন কৰে। ইয়াৰ পাছতে কেইবাগৰাকীয়ো বিশিষ্ট মহিলাক সম্বৰ্ধনা জনোৱা হয়। ইয়াৰ লগতে কনকসেন ডেকা, নিৰুপমা বৰগোঁহাঞি, মৃণালিনী দেৱী, ডাঃ অলকা গোস্বামী আৰু অনুপমা দেৱীৰ বাসগৃহলৈ গৈ সম্বৰ্ধনা জনোৱা হয়। আজি সন্ধিয়া সমিতিৰ উদ্যোগত স্থানীয় মহিলা শিল্পীয়ে দক্ষ যজ্ঞ নাট প্ৰদৰ্শনৰ ব্যৱস্থা কৰিছে।

০০০০০

আইচিচি টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত আজি শ্ৰীলংকাৰ পাল্লেকেলে আন্তঃৰাষ্ট্ৰীয় ষ্টেডিয়ামত অনুষ্ঠিত ছুপাৰ এইট পৰ্যায়ৰ এখন গুৰুত্বপূৰ্ণ খেলত পাকিস্তানে- শ্ৰীলংকাক ২১৩ ৰানৰ বিজয় লক্ষ্য নিৰ্ধাৰণ কৰি দিছে।

প্ৰত্যুত্তৰত শ্ৰীলংকাই বাতৰি যুগুতোৱাৰ পৰলৈ ৩ অভাৰত  এটা উইকেট হেৰুৱাই ২৫ ৰান সংগ্ৰহ কৰে।

ভাৰত কাইলৈ কলকাতাৰ ইডেন গাৰ্ডেনছত হ'বলগীয়া ছুপাৰ এইট পৰ্যায়ৰ নিজৰ অন্তিমখন খেলত ৱেষ্ট ইণ্ডিজৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০০

ঃঃ সমাপ্ত ঃঃ